অষ্টম খণ্ড

# ধৰ্ম ঃ ইয়াৰ অৰ্থ আৰু প্ৰকৃতি, ধৰ্ম আৰু নৈতিকতা

# (Religion : Its meaning and nature, Religion and Morality)

এই অধ্যায়টো পঢ়াৰ পিছত তোমালোকে—

- ধৰ্ম কি সেই সম্পৰ্কে জানিব পাৰিবা।
- ধৰ্মৰ প্ৰকৃতি কিভাৱে জানিব পাৰি সেই সম্পৰ্কে অৱগত হ'বা।
- নীতি বা নৈতিকতা কি তাক শিকিবা।
- নীতি আৰু ধৰ্মৰ মাজত সম্বন্ধ কি তাক জানিবা।

**বিষয়বস্তু**

• ভূমিকা • ধৰ্মৰ অৰ্থ • ধৰ্ম কি? • ধৰ্মৰ প্ৰকৃতি বা স্বৰূপ • ধৰ্ম আৰু নৈতিকতা

## • ভূমিকা

ধৰ্ম মানৱ জীৱনৰ অপৰিহাৰ্য বিষয়। অতীতৰ পৰাই ধৰ্মই মানৱ জীৱনত প্ৰভাৱ বিস্তাৰ কৰি আহিছে। প্ৰকৃততে ধৰ্ম বুলিলে কোনো অতীন্দ্ৰিয় শক্তিত বিশ্বাসকেই বুজায় আৰু এই বিশ্বাসেই মানুহৰ জীৱনৰ অনুভূতি আৰু ক্ৰিয়াকো নিয়ন্ত্ৰিত কৰে। ধৰ্মক ব্যাখ্যা কৰাটো অতি জটিল। তথাপি এই অধ্যায়ত ধৰ্ম কি আৰু ধৰ্মৰ স্বৰূপ সম্বন্ধে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

## • ধৰ্ম ঃ ইয়াৰ অৰ্থ আৰু প্ৰকৃতি, ধৰ্ম আৰু নৈতিকতা (Religion : Its meaning and nature, Religion and Morality)

"Religion" শব্দটো উৎপত্তি হৈছে "Religare" শব্দৰপৰা, আৰু এই শব্দৰ অৰ্থ হৈছে "বন্ধন" (Bond), অৰ্থাৎ যিয়ে দৃঢ়ভাৱে বান্ধি ৰাখে। যদিও ইংৰাজী Religion শব্দটো "Religare" শব্দৰপৰা উৎপত্তি আৰু তাক যদি বন্ধনৰূপে গণ্য

কৰা হয়, তেনেহ'লে কোৱা যায় ব্যক্তিৰ জীৱনত আৰু জাতিৰ জীৱনতো যি যথাৰ্থ সংহতি আনে, সিয়েই ধৰ্ম। 'ধৃ' ধাতুৰ লগত "মন' প্ৰত্যয় সংযোগ কৰি সংস্কৃতত "ধৰ্ম" শব্দটোৰ উৎপত্তি হয়। যিয়ে ধাৰণ কৰে সেয়েই ধৰ্ম। সামাজিক জীৱনৰ বৃহত্তৰ ঐক্যৰ মাজত যি ব্যৱস্থাই মানুহৰ জীৱনক ধৰি ৰাখে সেয়েই ধৰ্ম।

- **ধৰ্ম কি?**

মানুহৰ জীৱনত ধৰ্ম এটা গুৰুত্বপূৰ্ণ বিষয়। ধৰ্মত কিবা এটা উচ্চতৰ অদৃশ্য শক্তি স্বীকাৰ কৰি লোৱা হয় আৰু আমাৰ বিশ্বাস যে সেই শক্তিয়ে মানুহৰ অদৃষ্টক নিয়ন্ত্ৰণ কৰে। স্বাভাৱিকতে ধৰি লোৱা হয় যে সেই শক্তি মানুহৰ আনুগত্য, শ্ৰদ্ধা আৰু উপাসনাৰ অধিকাৰী। অৰ্থাৎ কোনো অতীন্দ্ৰিয় শক্তিত বিশ্বাসেই হ'ল ধৰ্ম আৰু এই বিশ্বাসেই মানুহৰ জীৱনৰ আটাইবোৰ মুখ্য অনুভূতি আৰু ক্ৰিয়াক নিয়ন্ত্ৰণ কৰে। ধৰ্মৰ সঠিক সংজ্ঞা দিয়া অতি টান। কিন্তু তাৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যসমূহ লক্ষ্য কৰি ধৰ্মৰ প্ৰকৃতি সম্পৰ্কে কিছু জ্ঞান আহৰণ কৰিব পাৰি।

- **ধৰ্মৰ বৈশিষ্ট্য**

প্ৰথমতে, ধৰ্মৰ ক্ষেত্ৰত কিছুমান মানসিক শক্তিয়ে প্ৰেৰণাৰূপে ক্ৰিয়া কৰে— যেনেকৈ, ব্যক্তিৰ জীয়াই থকাৰ বাসনা, আত্মবিকাশ আৰু কল্যাণ লাভৰ আগ্ৰহ আৰু আত্মোপলব্ধিৰ আকাংক্ষা।

দ্বিতীয়তে, ধৰ্মই কোনো উচ্চতৰ অতীন্দ্ৰিয় সত্তাত বিশ্বাস কৰে আৰু ব্যক্তিয়ে নিজৰ মংগলৰ কাৰণে এই সত্তাৰ ওপৰত নিৰ্ভৰ কৰে। ঈশ্বৰৰ লগত মানুহৰ সম্পৰ্কক কেন্দ্ৰ কৰি মানুহৰ মনত যি ভাব, ধাৰণা, চিন্তা আৰু অনুভূতিৰ উদয় হয়, সেইবিলাক ধৰ্মৰ আভ্যন্তৰীণ দিশ।

তৃতীয়তে, ধৰ্মৰ এটা বাহ্যিক দিশো আছে। ই হ'ল ধৰ্মীয় আচাৰ অনুষ্ঠান। এই বাহ্যিক দিশৰ মাজেদিয়েই ধৰ্মীয় অনুভূতি প্ৰকাশ পায়।

চতুৰ্থতে, ধৰ্মৰ এটা সামাজিক আৰু আনুষ্ঠানিক দিশো আছে।

- **ধৰ্মৰ প্ৰকৃতি বা স্বৰূপ (Nature of Religion)**

ধৰ্মৰ প্ৰকৃতি আলোচনা কৰিবলৈ হ'লে আমি দুই ধৰণে এই আলোচনা কৰিব পাৰো। আমি ধৰ্মৰ সংজ্ঞা নিৰূপণ কৰি ধৰ্মৰ স্বৰূপ বুজিব পাৰো বা ধৰ্মৰ লগত মানুহৰ অন্যান্য আচৰণ বা ক্ৰিয়াৰ সম্পৰ্ক নিৰূপণ কৰিও আমি ধৰ্মৰ স্বৰূপ বা প্ৰকৃতিক বুজাৰ চেষ্টা কৰিব পাৰো। যি তুলনামূলকভাৱে অপৰিৱৰ্তনীয় আৰু নিশ্চল, তাৰ তুলনাত যি ক্ৰমবিকাশমান আৰু গতিশীল, তাৰ সংজ্ঞা দিয়া কঠিন। অৱশ্যে ধৰ্মৰ এনে কিছুমান বৈশিষ্ট্য আছে যি বিশ্বজনীন আৰু অনুপম, আৰু এই বৈশিষ্ট্য বিলাকৰ আৱিষ্কাৰৰ প্ৰচেষ্টা কৰিলে ধৰ্মৰ স্বৰূপ বা প্ৰকৃতি বুজিব পাৰি।

**কাৰ্যাৱলী**

(১) 'ধৃ' ধাতুৰ লগত কি প্ৰত্যয় যোগ হৈ সংস্কৃতত ধৰ্ম শব্দটোৰ উৎপত্তি হৈছে?

(২) কিহৰ মাজেৰে ধৰ্মীয় অনুভূতি প্ৰকাশ হয়?

(৩) আমি কি কি প্ৰকাৰে ধৰ্মৰ প্ৰকৃতি বুজাৰ চেষ্টা কৰিব পাৰো?

ধৰ্মৰ সৰ্বজনগৃহীত সংজ্ঞা দিয়াটো অতি টান; কাৰণ ধৰ্ম হ'ল অতি জটিল বিষয় আৰু ধৰ্মই মানৱ জীৱনৰ প্ৰতিটো দিশেই স্পৰ্শ কৰিছে। আদিম নৰ-নাৰীৰ গুপ্ত ধৰ্মানুষ্ঠান বা উচ্ছৃংখল হৈ চৈ পূৰ্ণ উৎসৱৰপৰা আৰম্ভ কৰি দাৰ্শনিক স্পিনোজাৰ "ঈশ্বৰৰ প্ৰতি বৌদ্ধিক অনুৰাগ"- এই সকলো বস্তুৰ মাজেদি ধৰ্মৰ প্ৰকাশ ঘটিছে। ধৰ্ম ব্যক্তিগত আৰু সামাজিক। আদিম যুগৰ অন্ধবিশ্বাসৰ লগত যেনেকৈ ধৰ্ম জড়িত, তেনেকৈয়ে আধুনিক যুগৰ যুক্তিবাদী মনোভাবৰ লগতো ধৰ্মৰ সম্পৰ্ক আছে। কিন্তু কোনোটোৰ লগত ধৰ্ম অভিন্ন নহয়। বিশ্বাস, আচৰণ, বিচাৰ-বুদ্ধি আৰু আৱেগ এই আটাইকেইটাই ধৰ্মৰ অন্তৰ্ভুক্ত। ধৰ্মমত আৰু ৰীতি-নীতিৰ মাজত ধৰ্ম নিহিত। তথাপি এইবিলাকৰ ওপৰত নিৰ্ভৰ নকৰাকৈয়ে মানুহৰ অন্তৰত ধৰ্ম বিৰাজ কৰে। ধৰ্ম যথাৰ্থতে মানুহৰ ওপৰতে নিৰ্ভৰ কৰে। ধৰ্ম জটিল আৰু বিচিত্ৰ। বিভিন্নজনে বিভিন্ন প্ৰকাৰেৰে বিভিন্ন ধৰ্মৰ সংজ্ঞা দিয়াৰ চেষ্টা কৰিছে।

(১) হেগেল (Hegel) ৰ মতে ধৰ্ম হ'ল "জীৱাত্মাক পৰমাত্মা ৰূপে স্বৰূপৰ জ্ঞান"। ঐশ্বৰিক দিশৰপৰা হেগেলে ধৰ্মৰ সংজ্ঞা দি কৈছে "ধৰ্ম হ'ল সসীম আত্মাৰ মাধ্যমত নিজৰ ঐশ্বৰিক আত্মাৰ সম্পৰ্কে জ্ঞান"। হেগেলৰ মতে ধৰ্ম হ'ল জ্ঞানৰ বিষয়। অৰ্থাৎ যি অদ্বৈত তত্ত্বত সসীম আৰু অসীমৰ ঐক্য সাধিত হৈছে, ধৰ্ম তাৰেই জ্ঞান।

হেগেলৰ ধৰ্মৰ এই সংজ্ঞাত দেখা যায় যে তেওঁ ধৰ্মৰ বুদ্ধিগত বৈশিষ্ট্যৰ ওপৰত অত্যধিক গুৰুত্ব আৰোপ কৰিছে আৰু ইচ্ছামূলক তথা আৱেগমূলক বৈশিষ্ট্যক উপেক্ষা কৰিছে। প্ৰকৃততে ধৰ্মত আমি মাত্ৰ কেৱল ঈশ্বৰক যে জানো সেইটো নহয়, আমাৰ অদৃষ্ট নিয়ামক কোনো অলৌকিক শক্তি বা সত্তাৰ লগত নৈতিক আৰু আধ্যাত্মিক সম্পৰ্ক প্ৰতিষ্ঠা কৰিছো বুলিও ভাবো। ভক্তি, পূজা, উপাসনা আৰু ধৰ্মীয় আচাৰ অনুষ্ঠানৰ লগত সম্পৰ্ক শূন্য ধৰ্ম কেৱল শূন্যতাৰ বাহিৰে একোৱেই নহয়।

(২) টাইলৰৰ (Tylor) মতে "ধৰ্ম হ'ল— আধ্যাত্মিক জীৱত বিশ্বাস"। কিন্তু এই সংজ্ঞাও সন্তোষজনক নহয়। কাৰণ এই সংজ্ঞাত ধৰ্মৰ স্বৰূপ সম্পৰ্কে সুনিৰ্দিষ্ট একোৱেই কোৱা হোৱা নাই।

(৩) মেক্সমুলাৰ (Max Muller) ৰ মতে, "ধৰ্ম হ'ল অসীমৰ প্ৰত্যক্ষণ বা উপলব্ধি"।

(৪) হাৰ্বাট স্পেন্সাৰে (Herbert Spencer) ধৰ্মৰ জ্ঞান দিবলৈ গৈ কৈছে, "ধৰ্ম হ'ল এক আনুমানিক ধাৰণা যি এই বিশ্বজগতক বোধগম্য কৰি তোলে"। এই সংজ্ঞাটোত ধৰ্মৰ বুদ্ধিগত দিশৰ ওপৰতে অধিক গুৰুত্ব দিয়া হৈছে।

(৫) শ্লেয়াৰমেকাৰে (Schliermacher)

অনুভূতিৰ দিশৰ পৰা ধৰ্মৰ ব্যাখ্যা কৰিছে। তেওঁ কৈছে, ধৰ্মৰ অপৰিহাৰ্য বৈশিষ্ট্য হ'ল ঈশ্বৰৰ ওপৰত একান্ত নিৰ্ভৰতাবোধ"। তেওঁৰ মতে প্ৰকৃত ধৰ্ম হ'ল শুদ্ধ অনুভূতি অৰ্থাৎ এনে এটা অনুভূতি, যিটো এফালে চিন্তনৰ লগত আৰু আনফালে নৈতিকতা বা ক্ৰিয়াৰ লগত সংযোগ ৰহিত। তেওঁৰ মতে ধৰ্মৰ লগত জ্ঞানৰ কোনো সম্পৰ্ক নাই। জ্ঞান নোহোৱাকৈও ধৰ্মৰ স্বৰূপ জানিব পাৰি।

শ্লেয়াৰমেকাৰৰ সংজ্ঞাৰ গুণ হ'ল যে তেওঁ ধৰ্মক অসাৰ বুদ্ধিবাদ আৰু শূন্যগৰ্ভ নৈতিকতাৰপৰা ৰক্ষা কৰিছে। আচলতে ধৰ্মৰ অপৰিহাৰ্য্য বৈশিষ্ট্য আছে তাৰ অন্তৰ্মুখিতাত, ঈশ্বৰ সম্পৰ্কে প্ৰত্যক্ষ অৱগতিত। কিন্তু এই সংজ্ঞাৰ দোষ হ'ল এয়ে যে ধৰ্মৰ ভিতৰত যি অনুভূতিৰ উপাদান আছে, সি কেৱল অনুভূতি নহয়। অনুভূতিৰ মাজত ধাৰণাগত উপাদান থকা প্ৰয়োজন আৰু অনুভূতিক ধাৰণাৰপৰা কেতিয়াও বিযুক্ত কৰিব নোৱাৰি; যাৰ কাৰণে অনুভূতিক প্ৰয়োজনীয় আৰু ধাৰণাক অপ্ৰয়োজনীয় বুলি গণ্য হ'ব পাৰে।

(৬) মেকটেগাৰ্টে (Mctaggart) অনুভূতিৰ দিশৰ পৰা ধৰ্মৰ সংজ্ঞা দি কৈছে, "ধৰ্ম হ'ল একপ্ৰকাৰৰ আবেগ, যিটোৱে বিশ্বাস কৰে যে মানুহ আৰু জগতৰ মাজত এটা সামঞ্জস্য আছে।" এই সংজ্ঞাই ধৰ্মৰ ভিতৰত থকা আবেগ আৰু অনুভূতিৰ দিশটোহে প্ৰকাশ কৰে। কিন্তু ধৰ্মৰ ভিতৰত যি ক্ৰিয়ামূলক দিশ আছে তাক প্ৰকাশ নকৰে। সেই কাৰণে এই সংজ্ঞাটো সন্তোষজনক নহয়।

(৭) কান্টে (Kant) ধৰ্মক নৈতিক ধাৰণাৰ লগত অভিন্ন বুলি গণ্য কৰিছে। তেওঁ ধৰ্মৰ সংজ্ঞা দি কৈছে "আমাৰ সকলো কৰ্তব্যক ঐশ্বৰিক আদেশ ৰূপে স্বীকাৰ কৰি লোৱাই হ'ল ধৰ্ম"।

কান্টৰ সংজ্ঞাৰ ত্ৰুটি হ'ল এয়ে যে তেওঁৰ সংজ্ঞাত তিনিটা মানসিক ক্ৰিয়া— চিন্তা, অনুভূতি আৰু ইচ্ছাৰ ভিতৰত কেৱল ইচ্ছাকেই গুৰুত্ব দিয়া হৈছে। তেওঁৰ মতে ধৰ্ম কেৱল ইচ্ছাৰ বিষয়। তেওঁ নৈতিক ইচ্ছাৰ পৰিপ্ৰেক্ষিতত ধৰ্মৰ সংজ্ঞা দিছে আৰু ধৰ্মীয় চেতনাক নৈতিক চেতনাৰ লগত অভিন্ন বুলি গণ্য কৰিছে। ঈশ্বৰৰ লগত সাহচৰ্যৰ অলৌকিক অভিজ্ঞতা, প্ৰাৰ্থনা, পূজা, উপাসনা ঈশ্বৰৰ প্ৰতি ভক্তি — যিবোৰ ধৰ্মীয় অভিজ্ঞতাৰ উল্লেখযোগ্য বৈশিষ্ট্য— কান্টৰ সংজ্ঞাত সেইবোৰৰ অস্তিত্বই নাই।

(৮) মেথিউ আৰ্নল্ডৰ (MathewArnold) মতে "ধৰ্ম হ'ল আবেগ স্পৰ্শিত নৈতিকতা"।

মেথিউ আৰ্নল্ডৰ এই সংজ্ঞা ধৰ্মৰ উচ্চতৰ আৰু নিম্নতম ৰূপ— কোনোটোৰ ক্ষেত্ৰতে প্ৰযোজ্য নহয়। তেওঁ ধৰ্মক নীতিৰ পৰা অভিন্ন কৰিছে। কিন্তু নীতি আৰু ধৰ্ম ঘনিষ্ঠভাৱে সম্পৰ্কযুক্ত হ'লেও উভয়ক অভিন্ন বুলি গণ্য কৰাটো যুক্তিসংগত নহয়। ইয়াৰ বাহিৰেও নৈতিকতাত যেনেকৈ প্ৰেমৰ প্ৰভাৱ থাকে, তেনেকৈয়ে অহংকাৰ, ক্ৰোধ প্ৰভৃতি আবেগৰো প্ৰভাৱ থাকিব পাৰে।

**কাৰ্যাৱলী**

"ধৰ্ম হ'ল এটা আবেগ, যিটোৱে বিশ্বাস কৰে যে মানুহ আৰু জগতৰ মাজত এটা সামঞ্জস্য আছে"— এই সংজ্ঞাটোৱে কি প্ৰকাশ কৰে?

(৯) ছাৰ ফ্ৰেজাৰে (Sir Frazer) ধৰ্মৰ ক্ৰিয়ামূলক দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁৰ মতে “ধৰ্ম হ’ল এনে এক উচ্চতৰ শক্তি, যিবিলাকে মানৱ জীৱনৰ গতিপথ পৰিচালিত বা নিয়ন্ত্ৰিত কৰে আৰু যিবিলাকক প্ৰসন্ন কৰিব লাগে”। যদিও এই সংজ্ঞাত ধৰ্মৰ তাত্ত্বিক আৰু ব্যৱহাৰিক উভয় দিশেই আছে, তথাপি ধৰ্মৰ এই সংজ্ঞাও সম্পূৰ্ণৰূপে গ্ৰহণযোগ্য নহয়।

(১০) মাৰ্টিনিউৱে (Martineau) ধৰ্মৰ সংজ্ঞা দি কৈছে, “ধৰ্ম হ’ল এজন নিয়ত অস্তিত্বশীল ঈশ্বৰত বিশ্বাস, যি জন ঈশ্বৰে এক ঐশ্বৰিক মন আৰু ইচ্ছাৰে জগতক নিয়ন্ত্ৰণ কৰে আৰু মানুহৰ লগত এক পাৰস্পৰিক নৈতিক সম্পৰ্ক স্থাপন কৰাৰ চেষ্টা কৰে।” কিন্তু এই সংজ্ঞাৰ দোষ এইটোৱে যে এই সংজ্ঞাটো কেৱল মাত্ৰ ধৰ্মৰ উন্নত ৰূপবোৰৰক্ষেত্ৰতেই প্ৰযোজ্য।

(১১) হেৰল্ড হফ্‌ডিঙে (Harold Hoffding) মূল্যৰ দৃষ্টিভংগীৰ পৰা ধৰ্মৰ সংজ্ঞা দিছে। তেওঁৰ মতে ধৰ্মৰ মূল কথা হ’ল— মূল্য নিত্য। কোনো মূল্যৰে অস্তিত্ব ধ্বংস হৈ নাযায়। পৰিৱৰ্তনশীল জগতত মূল্য অবিনশ্বৰ হৈ থাকে। সেয়ে ধৰ্মৰ সংজ্ঞা দি তেওঁ কৈছে “ধৰ্ম হ’ল মূল্যৰ অবিনাশিতাত বিশ্বাস”। মূল্যৰ অবিনশ্বৰতা ধৰ্মত স্বতঃসিদ্ধ বৈশিষ্ট্য

হফ্‌ডিঙে ধৰ্মৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদানৰ কথা উল্লেখ কৰিছে। ধৰ্মীয় চেতনাই জীৱনৰ পৰম মূল্যৰ প্ৰতি বিশ্বাসৰ সূচনা কৰে, আৰু সংবেদনশীল জগতৰ অস্তিত্বতো বিশ্বাস জগায়, যি বিশ্বাসে মানুহক মূল্য সংগ্ৰহণ আৰু সংৰক্ষণত সহায় কৰিব পাৰে। ধৰ্মপৰায়ণ ব্যক্তিয়ে পৰম মূল্যৰ সংগ্ৰহণ আৰু সংৰক্ষণৰ কামত তেওঁৰ ব্যক্তিগত ক্ষমতা আৰু সামাৰ্থ্য পৰ্যাপ্ত নহয় বুলি উপলব্ধি কৰে। কাৰণ এই বিৰাট বিশ্বজগতৰ যিহেতু তেওঁ এক নগণ্য অংশ মাত্ৰ আৰু জগতৰ অসীম সম্পদৰ ওপৰত তেওঁৰ পূৰ্ণ আধিপত্য নাই, সেই কাৰণে পৰম মূল্যৰ সংগ্ৰহণ আৰু সংৰক্ষণৰ এনে এটা শক্তিৰ প্ৰয়োজন আছে, যি মানৱীয় শক্তিৰ বহু ঊৰ্ধ্বত। মানুহৰ ধৰ্মবিশ্বাসে সেই কাৰণে এক সৰ্বব্যাপী, সৰ্বশক্তিমান, সৰ্বজ্ঞ শক্তিৰ আশ্ৰয় লয়, যি শক্তিয়ে মূল্যৰ নিত্যতাত সুনিশ্চিত আশ্বাস দিব পাৰে। গতিকে ধৰ্মীয় চেতনাৰ মাজত কোনো মূল্যই হেৰাই নাযায়— এনে বিশ্বাস নিশ্চিত হৈ থাকে।

ধৰ্মৰ প্ৰয়োজনীয় স্বৰূপ সম্পৰ্কে আমি হফ্‌ডিঙৰ লগত একমত। তথাপি হফ্‌ডিঙৰ সংজ্ঞাৰ বিৰুদ্ধে তলত উল্লেখ কৰা অভিযোগবোৰ অনা হৈছে।

প্ৰথমতে, ধৰ্মীয় চেতনা উদ্দেশ্যমূলক আৰু সৃজনমূলক। কেৱল মাত্ৰ নিষ্ক্ৰিয় আৰু চিন্তামূলক নহয়। হফ্‌ডিঙৰ মূল্যৰ অবিনাশিতাৰ স্বতঃসিদ্ধ সত্যই ধৰ্মীয় চেতনাৰ এই বৈশিষ্ট্যক অগ্ৰাহ্য কৰিছে। তেওঁ অভিজ্ঞতাক অনুভূতিৰ লগত অভিন্ন বুলি গণ্য কৰিছে। তেওঁ নিজেই কৈছে “ধৰ্মীয় অভিজ্ঞতা হ’ল প্ৰধানতঃ ধৰ্মীয় অনুভূতি আৰু এই অনুভূতি মূল্যৰ অবিনাশিতাৰ বিশ্বাসৰদ্বাৰা নিয়ন্ত্ৰিত। কিন্তু মূল কথাটো হ’ল যে পূৰ্বস্থিত মূল্যৰ অবিনাশিতাত নিষ্ক্ৰিয় বিশ্বাসেই ধৰ্ম নহয়। ধৰ্মক নতুন নতুন মূল্যৰ পৰীক্ষণমূলক অনুসন্ধান বুলিও ধৰা হয়।

ধৰ্মীয় অভিজ্ঞতাৰ ক্ষেত্ৰত মূল্যৰ পৰিমাণ কোনো সুনিৰ্দিষ্ট পৰিমাণ নহয়। দ্বিতীয়তে, সকলো ধৰ্মীয় চেতনাৰ প্ৰয়োজনীয় উপাদান হ'ল এক অলৌকিক সত্তাৰ লগত ব্যক্তিৰ ঘনিষ্ঠ আৰু পোনপটীয়া ব্যক্তিগত সম্পৰ্ক— যি অলৌকিক সত্তা সকলো মূল্যৰ উৎস আৰু ভিত্তি, যাক ঈশ্বৰ ৰূপে অভিহিত কৰা যায়। হফ্‌ডিঙৰ সংজ্ঞাই ঈশ্বৰৰ লগত ব্যক্তিৰ ঘনিষ্ঠ সম্পৰ্কৰ দিশটোও অগ্ৰাহ্য কৰিছে।

(১২) ফ্লিন্টে (Flint) ধৰ্মৰ সংজ্ঞা দিবলৈ গৈ কৈছে, 'ধৰ্ম হ'ল এনে এক বা একাধিক সত্তাত মানুহৰ বিশ্বাস, যি সত্তা মানুহতকৈ বহুত বেছি শক্তিশালী আৰু তেওঁ ইন্দ্ৰিয়ৰ অনভিগম্য, অথচ তেওঁৰ আবেগ আৰু কাৰ্যৰ প্ৰতি উদাসীন নহয় আৰু যি বিশ্বাসৰ লগত যুক্ত হৈ আছে তেওঁৰ অনুভূতি আৰু আচৰণ।'

ধৰ্মৰ অন্যান্য সংজ্ঞাৰ তুলনাত উপৰিউক্ত সংজ্ঞাটো অপেক্ষাকৃতভাবে সন্তোষজনক। কিয়নো ধৰ্মৰ প্ৰয়োজনীয় বৈশিষ্ট্যৰ কেইবাটাও উপাদান এই সংজ্ঞাটোত উল্লেখ কৰা হৈছে।

**কাৰ্যাৱলী**

১। পৃথিৱীৰ বিখ্যাত ধৰ্ম কেইটামানৰ নাম লিখা।

২। মূল্যৰ দিশৰ পৰা ধৰ্মৰ সংজ্ঞা কোনে নিৰ্দেশ কৰিছে?

## • ধৰ্মৰ স্বৰূপ সম্পৰ্কে আটাইতকৈ সন্তোষজনক অভিমত

ধৰ্মৰ স্বৰূপ সম্পৰ্কে ইতিমধ্যে যি বিভিন্ন সংজ্ঞা আলোচনা কৰা হ'ল তাৰ পৰা এটা বিষয় স্পষ্ট হৈ পৰিছে যে অনুভূতি, ক্ৰিয়া আৰু বুদ্ধি এই তিনিটাৰ অকল মাত্ৰ এটা কেতিয়াও ধৰ্মৰ প্ৰয়োজনীয় উপাদান ৰূপে গণ্য হ'ব নোৱাৰে। যিবিলাক সংজ্ঞা আলোচনা কৰা হৈছে, এইবোৰে ধৰ্মৰ প্ৰকৃতি সম্পৰ্কে আংশিক সত্যহে ব্যক্ত কৰিছে। ধৰ্মই মানুহৰ প্ৰকৃতিৰ কোনো এটা অংশ মাত্ৰ অধিকাৰ কৰি থকা নাই। ধৰ্ম হ'ল এক পৰম তত্ত্বৰ প্ৰতি ব্যক্তিৰ সমগ্ৰ সত্তাৰ প্ৰতিক্ৰিয়া। ধৰ্মৰ ভিতৰত দুটা দিশ আছে— এটা মনোগত আৰু আনটো বস্তুগত দিশ। মনৰ দিশৰপৰা চাবলৈ গ'লে মানুহৰ সকলো মানসিক প্ৰক্ৰিয়া চিন্তা, অনুভূতি আৰু ইচ্ছা ধৰ্মৰ অন্তৰ্ভুক্ত। বস্তুগত দিশৰপৰা বিচাৰ কৰিবলৈ গ'লে ধৰ্মই মানুহৰ চেতনাৰ উৰ্দ্ধত এক ঐশ্বৰিক তত্ত্বক নিৰ্দেশ কৰে, যি ঐশ্বৰিক তত্ত্বৰ ভিতৰত মানৱ জীৱনৰ পৰম মূল্যবিলাক সংৰক্ষিত আছে। আকৌ ধৰ্মইপূজা, আত্মীয়তা, সেৱাৰ মাজেদি মনৰ লগত সেই চেতনাৰ উৰ্দ্ধত থকা পৰম ঐশ্বৰিক তত্ত্বৰ সম্পৰ্কও নিৰ্দেশ কৰে। এই সম্পৰ্ক এটা বিশেষ লক্ষ্যৰদ্বাৰা নিয়ন্ত্ৰিত হয়। সেই ঐশ্বৰিক তত্ত্বই হৈ উঠে পৰম মূল্য, ধৰ্মীয় অভিজ্ঞতা চেতনাৰূপ মানসিক অৱস্থাৰ অতিৰিক্ত এটা আধ্যাত্মিক অনুভূতি। ধৰ্মই এক অতীন্দ্ৰিয় জগতক নিৰ্দেশ কৰে। এই জগত একাধাৰে অতিবৰ্তী আৰু অন্তৰ্বতী। ধৰ্ম কেৱল মাত্ৰ এটা অলৌকিক তত্ত্বত বিশ্বাস নহয়,

ধৰ্ম এই অলৌকিক তত্ত্বৰ প্ৰতি আবেগিক অনুক্ৰিয়া আৰু ইচ্ছামূলক প্ৰতিক্ৰিয়া, যাৰ ফলত ব্যক্তিয়ে এই তত্ত্বৰ লগত সংগতি বিধানৰ কাৰণে সমগ্ৰ জীৱনক উপযোগী কৰি তোলাৰ প্ৰচেষ্টা চলায়।

## • ধৰ্ম আৰু নৈতিকতা (Religion and Morality)

নীতি বা নৈতিকতা হ'ল জীৱনৰ এনে এটা দিশ যিটোক ধৰ্মৰ আটাইতকৈ ঘনিষ্ঠ বুলি ধাৰণা কৰা হয়। নীতিৰ লগত ধৰ্মৰ অৰ্থাৎ নীতিবিজ্ঞানৰ লগত ধৰ্মবিজ্ঞানৰ সম্বন্ধ অকল যে ঘনিষ্ঠ তেনে নহয়; এই সম্পৰ্ক অবিচ্ছেদ্যও। নীতি অবিহনে ধৰ্ম আৰু ধৰ্ম অবিহনে নীতি কেতিয়াও সম্ভৱ নহয়। ধৰ্মৰ সকলো সময়তে এটা নৈতিক উদ্দেশ্য থাকে।

ধৰ্ম বুলিলে আমি কি বুজো? ধৰ্ম বুলিলে আমি কোনো এটা বিশেষ ধৰ্মক যেনে— হিন্দু বা ইছলাম বা খৃষ্টধৰ্ম নুবুজো। ধৰ্ম বুলি ক'লে আমি বুজো কোনো অপ্ৰাকৃত সত্তাত মানুহৰ বিশ্বাস, যি বিশ্বাসে মানুহৰ জীৱনৰ সকলো মূল অনুভূতি আৰু ক্ৰিয়াক নিয়ন্ত্ৰিত কৰে। ধৰ্মবোধৰ মাজত জ্ঞান, অনুভূতি আৰু ইচ্ছা এই তিনি প্ৰকাৰৰ উপাদানেই পোৱা যায়। এক বা একাধিক ঈশ্বৰত বিশ্বাস আৰু ঈশ্বৰৰ উপাসনাৰ মাজেদিয়ে এই ধৰ্মবিশ্বাসে আত্মপ্ৰকাশ কৰে। মানুহে বিভিন্নভাবে কেতিয়াবা ভয়ত, কেতিয়াবা প্ৰেমত উদ্বুদ্ধ হৈ ঈশ্বৰৰ উপাসনা কৰি নিজৰ মংগল লাভৰ চেষ্টা কৰে। ডঃ ফ্লিন্টে ধৰ্মৰ সংজ্ঞা দিবলৈ গৈ কৈছে, "ধৰ্ম হ'ল এনে এক বা একাধিক সত্তাত মানুহৰ বিশ্বাস, যি সত্তা মানুহতকৈ বহুত বেছি শক্তিশালী আৰু তেওঁৰ ইন্দ্ৰিয়ৰ অনভিগম্য, অথচ তেওঁৰ আবেগ আৰু কাৰ্যৰ প্ৰতি উদাসীন নহয় আৰু যি বিশ্বাসৰ লগত যুক্ত হৈ আছে তেওঁৰ অনুভূতি আৰু আচৰণ"।

বেছিভাগ ব্যক্তিৰ জীৱনত ধৰ্ম আৰু নীতি এনেদৰে জড়িত হৈ থাকে যে এটাক আনটোৰ পৰা পৃথক বুলি ধৰিব নোৱাৰি। কিন্তু নীতি আৰু ধৰ্মক এক আৰু অভিন্ন বুলি কল্পনা কৰাটোও যুক্তিযুক্ত নহয়। কিয়নো এনে বহুত মানুহ আমি দেখা পাওঁ যিবোৰে ঈশ্বৰত বিশ্বাস নকৰিও তেওঁলোকৰ দৈনন্দিন কৰ্ত্তব্য নীতিসন্মতভাবে সম্পাদন কৰে।

আনহাতে, আকৌ এনে বহুত মানুহ দেখা পোৱা যায়, যি সকলে নীতিৰ প্ৰতি কোনো মৰ্যাদা নেদেখুৱাকৈও যান্ত্ৰিকভাবে ধৰ্মীয় আচাৰ অনুষ্ঠান পালন কৰে। কিন্তু গভীৰভাৱে চিন্তা কৰিলে দেখা যায় যে, নীতি আৰু ধৰ্ম সকলো সময়তে একেলগেই থাকে। নিষ্ঠা সহকাৰে যি লোকে আচাৰ-অনুষ্ঠান পালন কৰে, তেওঁৰ নীতিজ্ঞান বা বিবেক শেষ পৰ্যন্ত জাগি উঠিবই আৰু তেওঁৰ আচাৰ-আচৰণত যদি কোনো নীতি বিৰুদ্ধ উপাদান থাকে তেতিয়াও তাক দূৰ কৰিবলৈ তেওঁ নিশ্চয় সচেষ্ট হ'ব। আনহাতে যিসকল নীতিনিষ্ঠ অথচ ঈশ্বৰ বিশ্বাসী নহয় তেওলোকে প্ৰকৃত পক্ষে সমাজস্বীকৃত ঈশ্বৰৰ কল্পনাত বিশ্বাস নকৰে। কিন্তু নীতিৰ লগত যে জগত সত্তাৰ এক গভীৰ সম্পৰ্ক আছে সেইটো তেওঁলোকে বিশ্বাস কৰে।

নীতিবিজ্ঞানে নৈতিক আদৰ্শ লৈয়ে আলোচনা কৰে। এই নৈতিক আদৰ্শ কেৱল কল্পনা মাত্ৰ নহয়। নৈতিক আদৰ্শই বাস্তৱতাত বিশ্বাস কৰে

বুলিয়েই এই আদৰ্শই আমাক প্ৰভাৱিত কৰে আৰু আমি ইয়াকো বিশ্বাস কৰো যে আদৰ্শৰ বাস্তৱ আৰু পূৰ্ণৰূপ হ'ল ঈশ্বৰ বা জগতসত্তা। নৈতিক আদৰ্শই ঈশ্বৰ বিশ্বাসত পূৰ্ণতা লাভ কৰে। সেই কাৰণে নীতি আৰু ধৰ্মৰ সম্পৰ্ক অতি গভীৰ।

নীতি আৰু ধৰ্মৰ পাৰস্পৰিক সম্পৰ্কক কেন্দ্ৰ কৰি, নীতি ধৰ্মৰ আগত নে ধৰ্ম নীতিৰ আগত — এই লৈ এটা সমস্যাই দেখা দিয়ে। এই সম্বন্ধে প্ৰধানতঃ তিনিটা মতবাদ পোৱা যায় —

(১) প্ৰথম মত অনুসৰি, ধৰ্মৰপৰাই নীতিৰ উৎপত্তি (Religion is the source of morality)। ডেকাৰ্ট (Descartes), লক (Locke), পেলে (Paley) আদি দাৰ্শনিকসকলৰ মতে ধৰ্মৰ পৰাই নীতিৰ উৎপত্তি। নীতি আৰু নৈতিক আদৰ্শ ঈশ্বৰৰ অৱদান। ঈশ্বৰে নিজৰ ইচ্ছাতেই নীতি সৃষ্টি কৰিছে আৰু মানুহৰ বাবে তেওঁ নানা প্ৰকাৰৰ বিধি-নিষেধ প্ৰৱৰ্তন কৰিছে। ঈশ্বৰৰ বিধি-নিষেধ মানি চলাই মানুহৰ যথাৰ্থ কৰ্ত্তব্য। ঈশ্বৰৰ বিধান নৈতিক জীৱনৰ শ্ৰেষ্ঠ বিধান। এই বিধান মানি চলিলে মানুহে পৰমাৰ্থ লাভ কৰিব পাৰে আৰু এই বিধান ভংগ কৰিলে মানুহৰ অমংগল অনিবাৰ্য। গতিকে প্ৰথমতে ঈশ্বৰ আৰু ঈশ্বৰৰ বিধান — তাৰ পিছত নীতি। অৰ্থাৎ ধৰ্মৰপৰাই নীতিৰ উৎপত্তি।

এই মতবাদটো গ্ৰহণ কৰিব নোৱাৰি। কাৰণ এই মতবাদ অনুযায়ী ঈশ্বৰৰ কোনো নিজস্ব নৈতিক চৰিত্ৰ নাই। যদি ভাল আৰু বেয়া ঈশ্বৰৰ নিজৰ ইচ্ছাৰ ওপৰতে নিৰ্ভৰ কৰে, তেওঁ ইচ্ছা কৰিলেই ভালক বেয়া আৰু বেয়াক ভাল বুলি বিধান দিব পাৰে। কিন্তু মানুহে বিশ্বাস কৰে, ঈশ্বৰ সৰ্বশক্তিমান হ'লেও তেওঁ ভালক বেয়া আৰু বেয়াক ভাল কৰিব নোৱাৰে। ঈশ্বৰ নৈতিক আদৰ্শৰ প্ৰকাশ। সেই কাৰণে যি ভাল সেইটো ঈশ্বৰৰ স্বভাৱৰ লগত সামঞ্জস্যপূৰ্ণ, আৰু যি বেয়া সেইটো তেওঁৰ স্বভাৱৰ বিৰোধী।

দ্বিতীয়তে, এই মতবাদ অনুসৰি ঈশ্বৰ সৰ্বশক্তিমান। তেওঁৰ বিধি অনুসৰণ কৰাৰ বাবে তেওঁ মানুহক পুৰস্কৃত কৰে, আৰু তেওঁৰ বিধিক লংঘন কৰাৰ বাবে মানুহক শাস্তি দিয়ে। কিন্তু পুৰস্কাৰৰ আশাত বা শাস্তিৰ ভয়ত যদি কোনো কাম কৰা হয়, তেতিয়াহ'লে সেই কাৰ্যৰ কোনো নৈতিক মূল্য নাথাকে।

(২) দ্বিতীয় মতবাদ অনুসৰি, নীতি ধৰ্মৰ আগত আছে আৰু ধৰ্ম নীতিৰ পিছত। নীতিৰপৰাই আমি ধৰ্ম লাভ কৰো। অৰ্থাৎ নৈতিকতাহে ধৰ্মৰ উৎস। কান্ট (Kant), মাৰ্টিনিউ (Martineau) আদি নীতিবিজ্ঞানী সকল এই মতবাদৰ সমৰ্থক। কান্টৰ মতে সততা বা সজগুণ (Virtue) আনন্দৰ লগত অনিবাৰ্যভাবে জড়িত। আমি সাধাৰণতে বিশ্বাস কৰো যে, মানুহে সৎ কৰ্ম কৰিলে সুখ পায় আৰু অসৎ কৰ্ম কৰিলে দুখ পায়। কিন্তু বাস্তৱ জীৱনত আমি সদায় সৎকৰ্মৰ লগত সুখৰ আৰু অসৎ কৰ্মৰ লগত দুখৰ অবিচ্ছেদ্য সম্পৰ্ক দেখা নাপাওঁ। ইয়াৰ ব্যতিক্ৰমো পৰিলক্ষিত হয়। সৎ ব্যক্তিয়ে দুখ ভোগ কৰে আৰু অসৎ ব্যক্তিয়ে সুখ-আনন্দত জীৱন কটায়। এই ব্যতিক্ৰমে নৈতিক নীতিৰ যথাৰ্থতাৰ

প্ৰতি আমাৰ মনত সন্দেহৰ সৃষ্টি কৰে আৰু বিবেকৰ সংঘাত ঘটায়। সৎকৰ্মৰ পৰিণতি আনন্দ আৰু অসৎ কৰ্মৰ পৰিণাম দুখ অনিবাৰ্য ভাবে হ'বই লাগিব, ই আমাৰ দৃঢ় নৈতিক বিশ্বাস। কাণ্টৰ মতে কোনো নৈতিক শক্তিয়ে এই বিশ্বৰ অন্তৰালত থাকি কাম কৰি আছে, যি সদাচাৰৰ লগত সুখৰ আৰু অসদাচাৰৰ লগত দুখৰ সংযোগ সাধন কৰে আৰু এই জীৱনত নহ'লেও পৰৱৰ্তী জীৱনত সাধু ব্যক্তিক পুৰস্কাৰ আৰু অসাধু ব্যক্তিক শাস্তি প্ৰদান কৰে। এই নৈতিক শক্তিয়েই হ'ল সৰ্বশক্তিমান সৰ্বজ্ঞ ঈশ্বৰ। সেই কাৰণে নীতিৰ পৰাই আমাৰ ঈশ্বৰৰ ধাৰণা জন্মে আৰু সেইবাবে নীতিৰ পৰাই ধৰ্মৰ উৎপত্তি।

মাৰ্টিনিউৰ মতেও নীতিৰ পৰাই ধৰ্মৰ উৎপত্তি। তেওঁৰ মতে নৈতিক বাধ্যতাবোধৰ পৰাই ঈশ্বৰৰ ধাৰণা জন্মে। যি নীতিসন্মত তাক আমি মানিবলৈ বাধ্য। এই বাধ্যতাবোধ নিজৰ বাবে, সমনীয়াৰ বাবে, সমাজ বা ৰাষ্ট্ৰৰ বাবে নহয়। কাৰণ ৰাষ্ট্ৰ বা সমাজৰ পক্ষে আমাৰ সকলো নৈতিক কাম সম্পৰ্কে অৱগত হোৱা সম্ভৱ নহয়। বিশেষ কৰি আমাৰ মনৰ উদ্দেশ্য ৰাষ্ট্ৰ বা সমাজৰ পক্ষে নজনাকৈয়ে থাকি যাব পাৰে। সেই কাৰণে আমি দৃঢ়তাৰে বিশ্বাস কৰো যে এনে কোনো নৈতিক শক্তি আছে, অৰ্থাৎ এনে কোনো সৰ্বজ্ঞ ঈশ্বৰ আছে যাক আমি ফাকি দিব নোৱাৰো, যিয়ে আমাৰ সকলো কথা প্ৰত্যক্ষ কৰি আছে আৰু আমাৰ মনৰ গোপন উদ্দেশ্য আৰু অভিপ্ৰায় জানি আছে। সেই কাৰণে মাৰ্টিনিউৰ মতে নৈতিক বাধ্যতাবোধ আৰু দায়িত্ববোধৰ পৰাই ঈশ্বৰৰ ধাৰণাৰ উৎপত্তি। তাৰ বাহিৰেও নৈতিক আদৰ্শ বাস্তৱ হোৱা আৱশ্যক। নহ'লে এই আদৰ্শৰ প্ৰতি মানুহ শ্ৰদ্ধাভাজন নহ'ব। গতিকে নৈতিক আদৰ্শই কোনো সত্তাৰ মাজত বাস্তৱ ৰূপ লাভ কৰিছে আৰু তেৱেঁই ঈশ্বৰ।

(৩) তৃতীয় মতবাদ অনুসৰি, ধৰ্ম আৰু নীতি পৰস্পৰ পৃথক। নীতিৰ পৰা ধৰ্মৰ উৎপত্তি হোৱা নাই। নাইবা, ধৰ্মৰ পৰাও নীতিৰ উৎপত্তি হোৱা নাই। নীতি আৰু ধৰ্ম স্বতন্ত্ৰভাৱে উদ্ভৱ হৈছে। ধৰ্মৰ উদ্ভৱ হৈছে কোনো পৰমসত্তাৰ ওপৰত নিৰ্ভৰতাবোধৰ পৰা (Feeling of dependence)। কিন্তু নীতিবিজ্ঞানৰ উদ্ভৱ হৈছে অন্য প্ৰকাৰেৰে। মানুহৰ বিবেকে নিজৰ সন্মুখত এটা নৈতিক আদৰ্শ দাঙি ধৰে আৰু নিজৰ নৈতিক উন্নতিৰ বাবে মানুহে এই নৈতিক আদৰ্শ অনুসৰণ কৰাৰ সংকল্প কৰে। মানুহৰ সভ্যতাৰ ক্ৰমবিকাশৰ এক উচ্চস্তৰত নীতিৰ উদ্ভৱ। যদিও নীতি আৰু ধৰ্মৰ উৎপত্তি পৃথকভাৱে হৈছে তথাপি উভয়ে পৰস্পৰৰ ওপৰত ক্ৰিয়া কৰে আৰু প্ৰভাৱ বিস্তাৰ কৰে। পৰস্পৰৰ এই ক্ৰিয়া আৰু প্ৰতিক্ৰিয়াৰ ফলত নীতি আৰু ধৰ্ম উভয়েই উন্নত হয়। মানুহৰ ধৰ্মভাৱ যিমানে বাঢ়ি যাব তেওঁৰ সৎ আচৰণ কৰাৰ স্বাভাৱিক প্ৰৱণতাও সিমানেই বাঢ়ি থাকিব। সেই কাৰণে ধাৰ্মিক ব্যক্তি মানেই স্বভাৱত সজ্জন হয়। মানুহৰ ধৰ্মজ্ঞান বা ঈশ্বৰ বিশ্বাসে মানুহক স্বাভাৱিকতেই ন্যায়ৰ পথত চলাৰ প্ৰেৰণা দিয়ে। ঈশ্বৰৰ নীতি অনুযায়ী কৰ্তব্য সম্পাদন কৰাই সৎ চৰিত্ৰৰ বৈশিষ্ট্য। সেই কাৰণে ধৰ্মজ্ঞান যিমানেই বাঢ়ি থাকে নীতিজ্ঞান সিমানেই উন্নত হয়। আকৌ

নীতিজ্ঞান যিমানেই বৃদ্ধি হয়, ধৰ্মভাৱ সিমানেই গভীৰ আৰু নিবিড় হৈ উঠে। ধৰ্মভাৱ সকলো কু-সংস্কাৰৰপৰা মুক্ত হৈ পবিত্ৰ আৰু মহান হৈ উঠে।

এই তিনিওটা মতবাদৰ আলোচনাৰ পৰা নীতি আৰু ধৰ্মৰ মাজত কিছুমান বিষয়ত সাদৃশ্য আৰু কিছুমান বিষয়ত বৈসাদৃশ্য দেখা যায়।

**সাদৃশ্য**

ধৰ্মই আত্মাৰ অমৰত্বত বিশ্বাস কৰে। নীতিবিজ্ঞানেও আত্মাৰ অমৰত্ব স্বীকাৰ কৰে। নৈতিক আদৰ্শ হ'ল জীৱনৰ অন্যতম পৰম আদৰ্শ, যাক এটা ক্ষুদ্ৰ সীমিত জীৱনত লাভ কৰা সম্ভৱ নহয়। জন্ম-জন্মান্তৰৰ প্ৰচেষ্টাৰদ্বাৰা মানুহে ধীৰে ধীৰে এই নৈতিক আদৰ্শৰ ওচৰলৈ যায়। এইদৰে আত্মাৰ অমৰত্বক স্বীকাৰ কৰি নল'লে মানুহৰ এই নৈতিক প্ৰচেষ্টাৰ কোনো সাৰ্থকতা নাথাকে। যিহেতু ধৰ্ম আৰু নীতি উভয়েই আত্মাৰ অমৰত্বকে স্বীকাৰ কৰে। সেয়েহে উভয়ৰে মাজত ওতঃপ্ৰোত স্বম্বন্ধ আছে।

**বৈসাদৃশ্য**

(১) ধৰ্ম ঈশ্বৰ কেন্দ্ৰিক আৰু নীতি মানৱকেন্দ্ৰিক।

(২) নৈতিকতাৰ লগত সত্তাৰ অলৌকিকতাৰ সম্পৰ্ক নাই। আনহাতে, ধৰ্মৰ লগত সত্তাৰ অলৌকিকতাৰ সম্পৰ্ক আছে।

(৩) নীতিৰ তুলনাত ধৰ্মৰ পৰিসৰ ব্যাপক। কিয়নো নীতিয়ে কেৱল কল্যাণ সম্পৰ্ক আলোচনা কৰে। আনহাতে, ধৰ্মই কল্যাণৰ বাহিৰেও সত্য আৰু সুন্দৰৰো আলোচনা কৰে।

(৪) নীতি হ'ল অসীমৰ দিশলৈ অগ্ৰগতি আৰু ধৰ্ম হ'ল অসীমৰ মাজৰ পৰাই অগ্ৰগতি।

(৫) নৈতিকতা প্ৰধানতঃ আৱেগমুক্ত। আনহাতে ধৰ্ম হ'ল আৱেগযুক্ত অভিজ্ঞতা।

(৬) ইচ্ছাৰ স্বাধীনতাৰ চেতনা অবিহনে নীতি সম্ভৱ নহয়। আনহাতে, ধৰ্মৰ ক্ষেত্ৰ হ'ল অনিবাৰ্যতাৰ ক্ষেত্ৰ।

যদিও নীতি আৰু ধৰ্মৰ মাজত কিছুমান বিষয়ত বৈসাদৃশ্য আছে তথাপি নীতি আৰু ধৰ্মৰ সম্বন্ধ অতি গভীৰ। নীতি আৰু ধৰ্ম পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। নীতি ধৰ্মৰ কাৰণে আৰু ধৰ্ম নীতিৰ কাৰণে অপৰিহাৰ্য। নীতি ধৰ্মৰ কাৰণে অৱশ্যে প্ৰয়োজনীয়। ধৰ্মীয় জীৱনত নৈতিক চেতনাৰ অৱদানৰ মূল্য অসীম। যিসকল ধৰ্ম প্ৰৱৰ্তক, সেই সকলে ধৰ্মীয় জীৱনত ঈশ্বৰৰ গুণ হিচাপে সাধুতা আৰু প্ৰেম— এই নৈতিক গুণবিলাকৰ উন্মেষৰ কথা কৈছে। নীতিয়ে ধৰ্ম সংশোধিত কৰে আৰু উন্নত কৰে। নীতি অবিহনে ধৰ্ম কেৱল মাত্ৰ লৌকিকতাত বিশ্বাস আৰু কু-সংস্কাৰৰ বাহিৰে একো নহয়। ধাৰ্মিক ব্যক্তি স্বাভাৱিকতে বিবেক বুদ্ধিসম্পন্ন, যিজনে নীতিসন্মতভাৱে তেওঁৰ কৰ্তব্য সম্পাদন কৰে আৰু নৈতিক আদৰ্শক অনুসৰণ কৰি জীৱন-যাপনৰ সংকল্প কৰে।

আকৌ ধৰ্মও নীতিৰ কাৰণে অপৰিহাৰ্য। ধৰ্মই নীতিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি তাক অনুপ্ৰাণিত কৰে। নীতিৰ শেষ পৰিণতি ধৰ্মত। ঈশ্বৰ যি বিশ্বৰ পৰিচালক বা নিয়ন্ত্ৰক, তেওঁ নৈতিক আদৰ্শৰ পূৰ্ণ প্ৰতীক আৰু এই ঈশ্বৰৰ লগত একাত্মতা লাভ কৰাই ধৰ্মৰ মূল উদ্দেশ্য।

**কাৰ্যাৱলী**

• ধৰ্মবোধৰ মাজত কি কি উপাদান পোৱা যায়?

• নৈতিক বাধ্যতাবোধ আৰু দায়িত্ববোধৰ পৰাই ঈশ্বৰৰ ধাৰণাৰ উৎপত্তি বুলি কোনে কৈছে?

## পাঠৰ মূলকথা

• Religion শব্দটোৰ উৎপত্তি হৈছে Religare শব্দৰ পৰা।

• Religare শব্দৰ অৰ্থ হৈছে বন্ধন অৰ্থাৎ যিয়ে বান্ধি ৰাখে।

• 'ধৃ' ধাতুৰ লগত 'মন্' প্ৰত্যয় সংযোগ কৰি সংস্কৃতত ধৰ্ম শব্দটোৰ উৎপত্তি হয়। যি ধাৰণ কৰে সেয়েই ধৰ্ম।

• সামাজিক জীৱনৰ বৃহত্তৰ ঐক্যৰ মাজত যি ব্যৱস্থাই মানুহৰ জীৱনক ধৰি ৰাখে সেয়েই ধৰ্ম।

• কোনো অতীন্দ্ৰিয় শক্তিত বিশ্বাসেই হ'ল ধৰ্ম আৰু এই বিশ্বাসে মানুহৰ জীৱনৰ আটাইবোৰ মুখ্য অনুভূতি আৰু ক্ৰিয়াক নিয়ন্ত্ৰণ কৰে।

• ধৰ্মৰ চাৰিটা বৈশিষ্ট্য আছে।

• ধৰ্মৰ স্বৰূপ বা প্ৰকৃতিক আমি দুই ধৰণে আলোচনা কৰি বুজাৰ চেষ্টা কৰিব পাৰো।

• আমি ধৰ্মৰ সংজ্ঞা নিৰূপণ কৰি ধৰ্মৰ স্বৰূপ বুজিব পাৰো বা ধৰ্মৰ লগত মানুহৰ অন্যান্য আচৰণ বা ক্ৰিয়াৰ সম্পৰ্ক নিৰূপণ কৰিও ধৰ্মৰ স্বৰূপ বা প্ৰকৃতিক বুজাৰ চেষ্টা কৰিব পাৰো।

• বিভিন্ন দাৰ্শনিকে ধৰ্মৰ বিভিন্ন সংজ্ঞা দাঙি ধৰিছে। তাৰ ভিতৰত এটা উল্লেখযোগ্য সংজ্ঞা হৈছে- "ধৰ্ম হ'ল এনে এক বা একাধিক সত্তাত মানুহৰ বিশ্বাস, যি সত্তা মানুহতকৈ বহুত বেছি শক্তিশালী আৰু তেওঁৰ ইন্দ্ৰিয়ৰ অনভিগম্য, অথচ তেওঁৰ আবেগ আৰু কাৰ্যৰ প্ৰতি উদাসীন নহয় আৰু যি বিশ্বাসৰ লগত যুক্ত হৈ আছে তেওঁৰ অনুভূতি আৰু আচৰণ" — ফ্লিন্ট।

• নীতি আৰু ধৰ্মৰ পাৰস্পৰিক সম্পৰ্কক কেন্দ্ৰ কৰি, নীতি ধৰ্মৰ আগত নে ধৰ্ম নীতিৰ আগত এই সম্পৰ্কে তিনিটা মতবাদ পোৱা যায়।

• ডেকাৰ্ট, লক্, পেলে আদি দাৰ্শনিক সকলৰ মতে ধৰ্মৰ পৰাই নীতিৰ উৎপত্তি।

• কান্ট, মাৰ্টিনিউ আদি নীতিবিজ্ঞানীসকলৰ মতে নীতি ধৰ্মৰ আগত আছে আৰু ধৰ্ম নীতিৰ পিছত।

• তৃতীয় মতবাদ অনুসৰি, ধৰ্ম আৰু নীতি পৰস্পৰ পৃথক। ধৰ্মৰ পৰা নীতিৰ উদ্ভৱ হোৱা নাই নাইবা নীতিৰ পৰাও ধৰ্মৰ উদ্ভৱ হোৱা নাই।

## অনুশীলনী

১। **অতি চমু উত্তৰ দিয়া**

(ক) Religion শব্দটো ক'ৰপৰা উৎপত্তি হৈছে?

(খ) Religare শব্দৰ অৰ্থ কি?

(গ) 'ধৃ' ধাতুৰ লগত কি প্ৰত্যয় সংযোগ কৰি সংস্কৃতত ধৰ্ম শব্দটোৰ উৎপত্তি হয়?

(ঘ) ধৰ্ম কি?

(ঙ) ধৰ্মৰ স্বৰূপ বা প্ৰকৃতিক আমি কেইপ্ৰকাৰে বুজাৰ চেষ্টা কৰিব পাৰো আৰু কি কি?

২। চমু উত্তৰ দিয়া

(ক) ধৰ্মৰ বৈশিষ্ট্যবোৰ কি কি?

(খ) কান্টৰ ধৰ্মৰ সংজ্ঞাটো লিখা। এই সংজ্ঞাটোৰ ত্ৰুটি কি?

(গ) হেগেলৰ ধৰ্মৰ সংজ্ঞাটো লিখা আৰু তেওঁৰ সংজ্ঞাটো কিহৰ ওপৰত নিৰ্ভৰশীল?

(ঘ) ধৰ্ম আৰু নৈতিকতাৰ মাজত সাদৃশ্য কি?

(ঙ) ধৰ্ম আৰু নৈতিকতাৰ মাজত বৈসাদৃশ্য কি?

(চ) "ধৰ্মৰ পৰাই নীতিৰ উৎপত্তি"— এই মতবাদটো আলোচনা কৰা।

(ছ) "নৈতিকতাহে ধৰ্মৰ উৎস"— এই মতবাদটো আলোচনা কৰা।

(জ) "ধৰ্ম আৰু নীতি পৰস্পৰ পৃথক" — এই মতটো আলোচনা কৰা।

(ঝ) ধৰ্ম আৰু নীতি পৰস্পৰ নিৰ্ভৰশীল — কেনেকৈ? আলোচনা কৰা।